**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰিব।

২। কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ এখন বৈঠক কাইলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব।

৩। বহুবিবাহ নিষিদ্ধকৰণ আৰু লিভ-ইন সম্পৰ্কৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰাৰ প্ৰস্তাৱেৰে অসম বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হৈছে।

৪। চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ উত্তৰ বহীৰ স্কেন কৰা প্ৰতিলিপি ডাউনলোড কৰাৰ সময়সীমা আৰু এদিনলৈ অৰ্থাৎ আজিৰ দিনটোলৈ বৃদ্ধি কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি দেলহি কেপিটেলছে কলকাতা নাইট ৰাইডাৰ্ছক আৰু ৰাজস্থান ৰয়েলছে, মুম্বাই ইণ্ডিয়ানছক পৰাস্ত কৰে। ৰাজস্থানৰ দলটো প্লে' অৰ পৰ্যায়লৈ উন্নীত হৈছে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰিব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰিব।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ গৰাকী ব্যক্তিৰ নাম পদ্ম বিভূষণ বঁটাৰ বাবে, ১৩ গৰাকীৰ নাম পদ্ম ভূষণ আৰু ১১৩ গৰাকী ব্যক্তিৰ নাম পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ১৩১ গৰাকী ব্যক্তিৰ নাম পদ্ম বঁটাৰ বাবে বাছনি কৰা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ প্ৰতি স্বীকৃতি হিচাপে এই বঁটা প্ৰদান কৰা হয়।

অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে কলাৰ ক্ষেত্ৰত হৰিচৰণ শইকীয়া, পখিলা লেকথেপি আৰু নুৰুদ্দিন আহমেদলৈ, কৃষিক্ষেত্ৰত যোগেশ দেউৰীলৈ আৰু ৰাজহুৱা পৰিক্ৰমাত মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

০০০০০০০০০

কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ এখন বৈঠক কাইলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব। অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱং, জাপানৰ বিদেশ মন্ত্ৰী টশ্বি মিটছু মটেগি আৰু আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক' ৰুবিঅ'ই এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে এই বৈঠকত অধ্যক্ষতা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই সন্দৰ্ভত জানিবলৈ দিয়া মতে বৈঠকত অংশগ্ৰহণকাৰী নেতাসকলে অগ্ৰাধিকাৰ ভিত্তিক অঞ্চলসমূহৰ কোৱাড সহযোগিতাৰ বিষয়ৰ অগ্ৰগতি তথা যৌথভাৱে গ্ৰহণ কৰা অভিযানসমূহৰ অৱস্থাৰ লগতে সংশ্লিষ্ট দেশসমূহৰ পাৰস্পৰিক স্বাৰ্থজড়িত আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহক লৈ মত বিনিময় কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বেলুচিস্তান লিবাৰেশ্যন আৰ্মিক ভাৰতে সমৰ্থন জনোৱাৰ সন্দৰ্ভত বক্তব্য আগবঢ়োৱা বুলি সামাজিক মাধ্যমত প্ৰচাৰিত বাতৰিৰ সত্যতা অস্বীকাৰ কৰিছে। প্ৰেছ ইনফ'মেচন ব্যুৰ'ৰ তথ্য নিৰীক্ষণ গোটে এই বাতৰিক সম্পূৰ্ণৰূপে ভুৱা বুলি অভিহিত কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এনেধৰণৰ কোনো বক্তব্য আগবঢ়োৱা নাই বুলি গোটটোৱে জানিবলৈ দিছে। চৰকাৰে এনেধৰণৰ ভুৱা বাতৰিৰ ক্ষেত্ৰত জনসাধাৰণক সতৰ্কতা অৱলম্বন কৰাৰ আহ্বান জনোৱাৰ লগতে বাতৰিৰ সত্যতা সন্দৰ্ভত নিশ্চিত হোৱাৰ পাছতহে এনে বাতৰি শ্বেয়াৰ কৰাৰ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০০

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হয়। এই বিধেয়কৰ জৰিয়তে বহুবিবাহ নিষিদ্ধ কৰাৰ লগতে লিভ-ইন সম্পৰ্কত থকা লোকসকলৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈ বিচৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী অতুল বৰাই এই বিধেয়ক উত্থাপন কৰে। বিধানসভাত ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈকে ধৰি আন কেইবাগৰাকীও বিধায়কে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে। বিধানসভাত আজি মন্ত্ৰী অজন্তা নেওগে মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে সংকল্প প্ৰস্তাৱ উত্থাপন কৰিব। ২৭ মে'ত বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

০০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি মহান বিপ্লৱী নেতা ৰাস বিহাৰী বসুৰ জয়ন্তীত নেতাগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে নেতাগৰাকীৰ অসামান্য সাংগঠনিক প্ৰতিভাই দেশৰ স্বাধীনতা আন্দোলনক নতুন গতি প্ৰদান কৰিছিল। শ্ৰীশ্বাহে কয়, যে আজাদ হিন্দ ফৌজ আৰু ইণ্ডিয়ান ইণ্ডিপেণ্ডেন্স লীগৰ অন্যতম প্ৰতিষ্ঠাপক শ্ৰীবসুৱে গদৰ আন্দোলনৰ সময়ত ভাৰতৰ জনসাধাৰণক একগোট কৰাৰ বাবে নেতৃত্ব দিছিল। এই মহান নেতাগৰাকী নেতৃত্বই স্বতন্ত্ৰতা যে প্ৰতিগৰাকী দেশবাসীৰ অটল সংকল্প

সেই কথা প্ৰমাণ কৰিছিল। গৃহমন্ত্ৰী শ্ৰীশ্বাহে কয়, যে ৰাষ্ট্ৰই এই বিপ্লৱী নেতাগৰাকীৰ অদম্য সাহস আৰু মাতৃভূমিৰ প্ৰতি থকা তেওঁৰ সমৰ্পনক সদায় স্মৰণ কৰিব।

00000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ– চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ উত্তৰ বহীৰ স্কেন কৰা প্ৰতিলিপি ডাউনলোড কৰাৰ সময়সীমা আৰু এদিনলৈ অৰ্থাৎ আজিৰ দিনটোলৈ বৃদ্ধি কৰিছে। পৰিষদে কৈছে যে, ছাত্ৰ-ছাত্ৰীসকলে উত্তৰ বহীৰ প্ৰতিলিপি সংগ্ৰহ কৰাৰ বাবে যাতে পৰ্যাপ্ত সময় লাভ কৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উত্তৰ বহীৰ পুনৰীক্ষণৰ বাবে আবেদন গ্ৰহণৰ দিন শীঘ্ৰেই প্ৰকাশ কৰা হ'ব বুলিও পৰিষদে জানিবলৈ দিছে।

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আসোঁৱাহমুক্ত পুনৰ মূল্যায়ন সুনিশ্চিত কৰাৰ উদ্দেশ্যে চি বি এছ ইক সহায় কৰিবলৈ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, আই আই টিৰ মাদ্ৰাজ আৰু কানপুৰৰ অধ্যাপক তথা প্ৰযুক্তি বিশেষজ্ঞৰ এটা দলক নিয়োগ কৰাৰ নিৰ্দেশ দিছে। চি বি এছ ইৰ পৰীক্ষাৰ ফলাফল সম্পৰ্কীয় প'ৰ্টেলত শিক্ষাৰ্থী তথা অভিভাৱকসকলে উত্থাপন কৰা বিভিন্ন আপত্তি তথা শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ বিশেষজ্ঞৰ দলটোৱে সমস্ত প্ৰক্ৰিয়াৰ প্ৰায়োগিক বিকাশ সাধন কৰাৰ লগতে প'ৰ্টেলটোৰ স্থিৰতা তথা ছাৰ্ভাৰৰ কাম-কাজ বিশেষভাৱে পৰীক্ষা কৰিব।

00000000

অহা ২৮ মে'ত হ'বলগীয়া স্নাতক মহলাৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা CUET UG স্থগিত ৰখা হৈছে। পৰীক্ষাৰ দিন পিছুৱাই দিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA ই ঈদ উজ জোহাৰ বন্ধৰ দিন সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত এই কথা ঘোষণা কৰে। সংশোধিত পৰীক্ষাৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। শেহতীয়া তথ্যৰ বাবে নিয়মিতভাৱে সংস্থাৰ ৱেবচাইট চাই থাকিবলৈ ছাত্ৰ ছাত্ৰী সকলক পৰামৰ্শ দিয়া হৈছে। যিকোনো তথ্যৰ বাবে ছাত্ৰ ছাত্ৰীসকলে NTAৰ হেল্পলাইন নম্বৰ 011- 40759000 অথবা cuet-uginta.ac.in ত যোগাযোগ কৰিব পাৰিব।

00000000

দেশত দুসপ্তাহৰ ভিতৰত চতুৰ্থ বাৰৰ বাবে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য পুনৰ বৃদ্ধি পাইছে। সেই অনুসৰি পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত দুটকা ৬১ পইচা আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত দুটকা ৭১ পইচা বৃদ্ধি কৰা হৈছে। এই সংশোধিত নিৰিখৰ ফলত বৰ্তমান ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১০২ টকা ১২ পইচা আৰু ডিজেলৰ মূল্য ৯৫ টকা ২০ পইচা হৈছে। গুৱাহাটীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১০৫ টকা ৭৪ পইচা আৰু ডিজেলৰ মূল্য ৯৭ টকা ২৩ পইচা হৈছে।

00000000

পশ্চিম এছিয়াৰ উদ্বেগজনক পৰিস্থিতিৰ মাজতে বাৰ্ষিক পাঁচদিনীয়া হজযাত্ৰা আজি আৰম্ভ হৈছে। ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন দেশৰ ১৬ লাখৰো অধিক লোকে পৱিত্ৰ চহৰ মক্কাৰ পৰা চৌদি আৰবৰ মীনালৈ যাত্ৰা আৰম্ভ কৰিছে। হজযাত্ৰীসকলে আজি নিশা মীনাত কটাব আৰু কাইলৈ পুৱা হজৰ প্ৰাৰ্থনাৰ বাবে যাব। চলিত বৰ্ষৰ হজ যাত্ৰাত ভাৰতৰ পৰা ১ লাখ ৭৫ হাজাৰৰো অধিক যাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

oooooooo

ফিলিপাইনছৰ পামপাঙ্গা প্ৰদেশত এঞ্জেলছ চহৰত এটা অট্টালিকা খহি পৰাৰ ফলত ৪জন লোকৰ মৃত্যু হয়। উদ্ধাৰকাৰী দলে এতিয়াও সন্ধানহীন ১৭গৰাকী ব্যক্তিৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। সংশ্লিষ্ট কৰ্তৃপক্ষই জনোৱা মতে ধ্বংসস্তুপৰ মাজৰ পৰা ইতিমধ্যে ২৬জনক উদ্ধাৰ কৰা হৈছে। ইয়াৰে ১০জনক উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। উল্লেখযোগ্য যোৱা শনিবাৰে নিশা অঞ্চলটোত অহা প্ৰবল বৰষুণ আৰু ধুমুহাৰ ফলতে এই শোকাৱহ ঘটনাটো সংঘটিত হয়। কৰ্তৃপক্ষই জনোৱা মতে প্ৰতিকুল বতৰৰ বাবে উদ্ধাৰ অভিযানত ব্যাঘাত জন্মিছে। সাৱধানতা হিচাপে দাঁতিকাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণক আন স্থানলৈ স্থানান্তৰিত কৰা হৈছে।

oooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে কলকাতা নাইট ৰাইডাৰ্ছক ৪০ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৬০ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰ ৪টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১৬৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহিৰ হৈ তিনিটা উইকেট দখল কৰা কুলদীপ যাদৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৩০ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাত প্ৰথমে বেট ধৰি ৰাজস্থান ৰয়েল্‌ছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৮টা উইকেট হেৰুৱাই ২০৫ ৰান কৰে। প্ৰত্যুত্তৰত ২০৬ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি মুম্বাইৰ দলটোৱে ২০ অ'ভাৰত ৯টা উইকেট হেৰুৱাই ১৭৫ ৰানতে সন্তুষ্ট হৈ ৰ'বলগীয়া হয়।

oooooooo

সমাপ্ত